জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৩৩/২০২১

# অসম স্বাস্থ্য সেৱা সংস্থা (আমছা)ৰ প্ৰতিনিধিৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক

**দিছপুৰ, ৩ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কইনাধৰাস্থিত ৰাজ্যিক অতিথিশালাৰ সভাকক্ষত অসম স্বাস্থ্য সেৱা সংস্থাৰ প্ৰতিনিধিবৰ্গৰ সৈতে এক বৈঠকত মিলিত হৈ তেওঁলোকৰ সদস্যসকলে সন্মুখীন হৈ থকা বিভিন্ন বিষয় সম্পৰ্কে আলোচনা কৰি সময়সাপেক্ষ পদোন্নতি, দৰমহাৰ ভাৰসাম্যতা আৰু চিকিৎসা ভাট্টা ইত্যাদিৰ লেখীয়া দাবীসমূহ পূৰণৰ দিশত তাৎক্ষণিক পদক্ষেপ লোৱা হ'ব বুলি সংস্থাটোৰ প্ৰতিনিধিবৰ্গক আশ্বাস প্ৰদান কৰে।

বৈঠকত মুখ্যমন্ত্ৰী ড° শৰ্মাই স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ প্ৰধান সচিব অনুৰাগ গোৱেলক কৰ্তব্যৰত চিকিৎসকসকলৰ টাইম স্কেল পদোন্নতিৰ দিশত তাৎক্ষণিক ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে ৰাজ্যখনৰ জনসাধাৰণলৈ স্বাস্থ্য সেৱা আৰু অধিক উন্নত কৰাৰ বাবে খালী হৈ থকা চিকিৎসকসকলৰ পদ অচিৰেই পূৰণ কৰাৰ পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে।

চিকিৎসকসকলে উত্থাপন কৰা বিভিন্ন বিষয় আলোচনা কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ প্ৰধান সচিবগৰাকীক চিকিৎসকসকলৰ কেডাৰ পৰ্যালোচনা, পদোন্নতি আৰু দৰমহাৰ ভাৰসাম্যতা ৰক্ষাৰ দিশত শীঘ্ৰে পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়ে যাতে এই সম্পৰ্কত এক সুষ্ঠিৰ সিদ্ধান্ত অতি সোনকালে ল'ব পৰা যায়। প্ৰতিনিধিবৰ্গক মুখ্যমন্ত্ৰীয়ে লগতে কয় যে চৰকাৰে স্নাতকোত্তৰ ডিগ্ৰী থকা জ্যেষ্ঠ চিকিৎসকসকলৰ দৰমহা বৃদ্ধিৰ দিশত পদক্ষেপ ল'ব যাতে কৰ্তব্যৰত চিকিৎসকসকলৰ দৰমহাৰ ভাৰসাম্যতা ৰক্ষা হয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে স্বাস্থ্য বিভাগে শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ অধীনত স্নাতকোত্তৰ ডিপ্লমা পাঠ্যক্ৰম কৰি থকা চিকিৎসকসকলৰ বাবে ইনক্ৰিমেণ্ট সম্পৰ্কীয় এক জাননী জাৰি কৰিব। তদুপৰি, চিকিৎসকসকলৰ কেৰিয়াৰৰ অগ্ৰগতিৰ বাবে ৰাজ্যখনৰ চিকিৎসা মহাবিদ্যালয়সমূহত কৰ্তব্যৰত চিকিৎসকসকলৰ বাবে স্নাতকোত্তৰ আসন বৃদ্ধি কৰা হ'ব বুলিও তেওঁ প্ৰতিনিধিবৰ্গক কয়। এই আসন বৰ্তমানৰ ২৩ খনৰ পৰা ৪০ খনলৈ বৃদ্ধি কৰা হ'ব।

আজিৰ এই বৈঠকত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ প্ৰধান সচিব অনুৰাগ গোৱেল, অসম স্বাস্থ্য সেৱা সংস্থা (আমছা) ৰ সভাপতি ডাঃ ননীগোপাল চহৰীয়া, সাধাৰণ সম্পাদক ডাঃ কনক চন্দ্ৰ তালুকদাৰ, সহকাৰী সাধাৰণ সম্পাদক ডাঃ মৃদুল ভাৰতী, মহিলা প্ৰতিনিধি ডাঃ জয়া বড়োৰ লগতে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ**
**৩-১১-২০২১**